# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 18-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰূপে গঢ় দিয়াত কৃষি খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

২। নতুন দিল্লীৰ সেনা বাহিনীৰ ৰিচাৰ্ছ এণ্ড ৰেফাৰেল হস্পিতালত এটা অত্যাধুনিক মানৰ ছালৰ বেংক মুকলি কৰিছে।

৩। বিশ্ব প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা বিনোদ গনাত্ৰাক চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে দক্ষিণ আফ্ৰিকাৰ নেলচন মেণ্ডেলা জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হৈছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু পশ্চিমবংগৰ হিমালয়ৰ দাতিকাষৰীয়া অঞ্চলসমূহত পৰৱৰ্তী ২ -৩ দিনলৈ ধাৰাষাৰ বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। *আৰু*

৫। ভাৰতৰ গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাছিয়ে এটা ৰাউণ্ড খেলিবলৈ বাকী থকা অৱস্থাতে আৰমেনিয়াৰ জেৰমুকত অনুষ্ঠিত ষ্টেপান অৱজ্ঞান স্মাৰক ২০২৪ ডবা প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতবৰ্ষক বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰূপে গঢ় দিয়াত কৃষি খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু দেশৰ কৃষকসকলৰ আয় বৃদ্ধিৰ বিষয়টো তেওঁৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয় হৈ থাকিব। উত্তৰ প্ৰদেশৰ বাৰাণসীত আয়োজিত এটা অনুষ্ঠানত প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ সপ্তদশ কিস্তি হিচাপে প্ৰায় ৯ কোটি ২৬ লাখ হিতাধিকাৰী খেতিয়কলৈ ২০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দি শ্ৰীমোদীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ লগতে কৃষি সখী হিচাপে আত্মসহায়ক গোটৰ ৩০ হাজাৰৰো অধিক মহিলাক প্ৰমাণপত্ৰ প্ৰদান কৰে।

বাৰাণসীৰ মেহেণ্ডীগঞ্জ এলেকাত প্ৰধানমন্ত্ৰী কিষাণ সন্মান সন্মিলনৰ এটা বৃহৎ সমাবেশক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, দেশ কৃষিজাত সামগ্ৰীৰ ৰপ্তানীৰ ক্ষেত্ৰত অগ্ৰণি হিচাপে পৰিগণিত হ'ব লাগিব আৰু তেওঁৰ চৰকাৰে এই দিশত লোৱা পদক্ষেপে বাৰাণসী লেঙৰা আম, গাজীপুৰৰ ভেন্দি আৰু জ'নপুৰৰ থেকেৰাৰ লেখিয়া স্থানীয় কৃষিজাত সামগ্ৰীসমূহক নতুন বিপনন মঞ্চ প্ৰদান কৰিছে।

বৰ্তমান চৰকাৰে কৃষকৰ আয় বৃদ্ধিৰ বাবে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, পূৰ্বাঞ্চল অঞ্চলৰ উন্নত যোগাযোগ ব্যৱস্থাই উন্নয়নৰ নতুন পথ মুকলি কৰিব। অকল বিকশিত ভাৰত সংকল্প যাত্ৰাৰ সময়তে এক কোটিৰো অধিক খেতিয়কৰ নাম প্ৰধানমন্ত্ৰী কিষাণ আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে বুলি তেওঁ

উল্লেখ কৰে। শ্ৰীমোদীয়ে তেওঁৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰি কয় যে তেওঁ কৃষক আৰু দুখীয়া জনাসাধাৰণৰ বাবে বাসগৃহৰ বিষয়ত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়টো কাৰ্যকাল আৰম্ভ কৰিছে। সদ্যসমাপ্ত লোকসভা নিৰ্বাচনৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, একত্ৰিশ কোটিৰো অধিক মহিলাই গণতন্ত্ৰৰ এই উৎসৱত অংশগ্ৰহণ কৰিছে আৰু এই সংখ্যা বিশ্বৰ ভিতৰতে সৰ্বাধিক আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ সমান। তেওঁ কয় যে, বিশ্বত কোনো এখন নিৰ্বাচিত চৰকাৰ একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতালৈ অহাটো অতিকে বিৰল আৰু ভাৰতবৰ্ষতো ৬০ বছৰ পূৰ্বেহে এনে ঘটিছিল। কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এই অনুষ্ঠানত অংশ গ্ৰহণ কৰে। অনুষ্ঠানত ভাগ লৈ কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে, উৎপাদন বৃদ্ধি কৰা আৰু খেতিয়কসকলৰ উৎপাদন মূল্য হ্ৰাস কৰাৰ লগতে উচিত ন্যূনতম সমৰ্থন মূল্য প্ৰদান কৰি কৃষিজাত সামগ্ৰীসমূহৰ উন্নত মূল্য নিশ্চিত কৰাই চৰকাৰৰ মূল লক্ষ্য। এই উপলক্ষে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কয় যে, ৰাজ্যখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নৰ নতুন শিখৰত উপনীত হৈছে। প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত নিজৰ সংসদীয় সমষ্টি বাৰাণসীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীক দলীয় কৰ্মীসকলে বিপুলভাৱে আদৰণি জনায়। শ্ৰীমোদীয়ে কাশীৰ জনসাধাৰণক একেৰাহে তৃতীয়বাৰৰ বাবে নিৰ্বাচিত কৰাৰ বাবে ধন্যবাদ জনাই কয় যে, তেওঁ নিজকে কাশীৰ সন্তান যেনেই অনুভৱ কৰে। শ্ৰীমোদীয়ে লগতে কিষাণ সন্মিলনৰ একাংশ খেতিয়কক সাক্ষাৎ কৰে আৰু তেওঁলোকৰ সামগ্ৰীৰ পৰ্যালোচনা কৰে।

০০০০

নতুন দিল্লীৰ সেনা বাহিনীৰ ৰিচাৰ্ছ এণ্ড ৰেফাৰেল হস্পিতালত  এটা অত্যাধুনিক মানৱ ছালৰ বেংক মুকলি কৰিছে। সশস্ত্ৰ বাহিনীৰ চিকিৎসা সেৱা প্ৰতিষ্ঠানসমূহৰ ভিতৰত পোনপ্ৰথমবাৰৰ বাবে এনেধৰণৰ বেংক স্থাপন কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে,  সেনাবাহিনীত কৰ্মৰত সৈনিকসকলৰ লগতে তেওঁলোকৰ পৰিয়ালৰ লোকসকলৰ গুৰুতৰভাৱে জুয়ে পোৰা ছাল আৰু ছালৰ সৈতে জড়িত অন্যান্য সমস্যাসমূহৰ চিকিৎসাৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে এই যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে। সৈন্য বাহিনীৰ চিকিৎসা সেৱাৰ সঞ্চালকপ্ৰধান আৰু কৰ্ণেল কমাণ্ডেণ্ট লেফটেনেণ্ট জেনেৰেল অৰিন্দম ছেটাৰ্জীয়ে ছালৰ বেংকৰ উদ্বোধনক সেনা বাহিনীৰ প্ৰতিজন কৰ্মৰত সদস্যৰ সুস্বাস্থ্য সুনিশ্চিত কৰাৰ  প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰমাণিত কৰে বুলি মন্তব্য কৰে।

০০০০

বিশ্ব প্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতা বিনোদ গনাত্ৰাক চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে দক্ষিণ আফ্ৰিকাৰ নেলচন মেণ্ডেলা জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হৈছে। বিনোদ গনাত্ৰা এই সন্মান লাভ কৰা প্ৰথমগৰাকী ভাৰতীয়। তেওঁক শিশুৰ চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে সপ্তম নেলচন মেণ্ডেলা চলচ্চিত্ৰ মহোৎসৱত এই সন্মানেৰে সন্মানিত কৰা হয়। চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে ৪শৰো অধিক তথ্যচিত্ৰৰ পৰিচালনা আৰু সম্পাদনা কৰিছিল। ইয়াৰ উপৰি তেওঁ শিশু আৰু যুৱ প্ৰজন্মৰ বাবে ২৫ টা বহুভাষিক টেলিভিশ্বন অনুষ্ঠানৰ প্ৰযোজনা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে  নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি

মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয় আৰু পশ্চিমবংগৰ হিমালয়ৰ দাতিকাষৰীয়া অঞ্চলসমূহত পৰৱৰ্তী ২-৩ দিনলৈ ধাৰাষাৰ বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত দাক্ষিনাত্যতো বিজুলী ধেৰেকণীৰে ধুমুহা বৰষুণ হব পাৰে বুলি কোৱা হৈছে। বিভাগে লগতে উত্তৰ ভাৰতৰ ভালেমান ঠাইত পৰৱৰ্তী ২৪ ঘণ্টালৈ গ্ৰীষ্ম প্ৰবাহৰ প্ৰকোপ অব্যাহত থাকিব পাৰে আৰু তাৰ পাছত লাহে লাহে গৰমৰ প্ৰকোপ হ্ৰাস পাব পাৰে বুলি প্ৰকাশ কৰিছে। ভূমধ্য সাগৰীয় অঞ্চলত বায়ুমণ্ডলৰ যথেষ্ট উচ্চতাত সৃষ্টি হোৱা প্ৰবল ধুমহা বলয়ৰ প্ৰভাৱত উত্তৰ ভাৰতৰ ভালেমান ঠাইত বৰষুণ হব পাৰে বুলিও বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০

উচ্চতম ন্যায়ালয়ে বিচাৰাধীন গোচৰসমূহৰ সৌহাদ্যপূৰ্ণ সমাধানৰ উদ্দেশ্যে ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ বিশেষ লোক আদালতৰ আয়োজন কৰিব। সৰ্বোচ্চ ন্যায়ালয়ৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা বৰ্ষৰ লগত সংগতি ৰাখি এই লোক আদালতৰ আয়োজন কৰা হৈছে।

০০০০

পশ্চিমবংগৰ দাৰ্জিলিং জিলাৰ সমীপৰ নিউ জলপাইগুৰি ষ্টেছনৰ ওচৰত কালি সংঘটিত ৰেল দুৰ্ঘটনাৰ পাছত ৰেলপথছোৱাৰে আজি স্বাভাৱিক ৰেল চলাচল আৰম্ভ হৈছে। উত্তৰ পূব সীমান্ত ৰেলৱে প্ৰকাশ কৰা মতে, অবধ আসাম এক্সপ্ৰেছ ৰেলগাড়ীখনৰ নামনিমুৱা সেৱা আজি পুৱা চাৰে সাত বজাত পুনৰ আৰম্ভ কৰা হৈছে। ৰেলপথছোৱাৰে কালিয়েই উজনিমুৱা সেৱা বাহাল কৰা হৈছিল। এই ৰেল দুৰ্ঘটনাত ৯ জন লোকে প্ৰাণ হেৰুৱাইছিল।

০০০০

ভাৰতৰ গ্ৰেণ্ডমাষ্টাৰ অৰ্জুন এৰিগাছিয়ে এটা ৰাউণ্ড খেলিবলৈ বাকী থকা অৱস্থাতে আৰমেনিয়াৰ জেৰমুকত অনুষ্ঠিত ষ্টেপান অৱজ্ঞান স্মাৰক ২০২৪ ডবা প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। তেলেংগানাৰ ২০ বছৰীয়া খেলুৱৈগৰাকীয়ে ৰাছিয়াৰ গ্ৰেণ্ডমাষ্টাৰ ভ'ল'ডাৰ মাৰ্জিনক পৰাস্ত কৰে।

০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ত স্থান পোৱা দলসমূহ নিশ্চিত কৰা হৈছে। বাংলাদেশে নেপালক পৰাস্ত কৰি অন্তিমটো দল হিচাপে ছুপাৰ এইট পৰ্যায়ত স্থান লাভ কৰিছে। প্ৰতিযোগিতাত ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ কাইলৈ আৰম্ভ হৈ ২৫ জুনত সামৰণি পৰিব। এই পৰ্যায়ৰ প্ৰথমটো গ্ৰুপত ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত কাইলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰত এই পৰ্যায়ৰ নিজৰ প্ৰথমখন খেলত বৃহস্পতিবাৰে আফগানিস্তানৰ সন্মুখীন হ'ব। আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত পৰাজিত দল দুটা প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব। বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

ইপিনে, ৱেষ্ট ইণ্ডিজে আজি ছেণ্ট লুছিয়াৰ ডেৰেন ছাম্মি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত আফগানিস্তানক ১০৪ ৰানত পৰাস্ত কৰে। আফগানিস্তানে ২১৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অ'ভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আফগানিস্তানে নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেটৰ বিনিময়ত ২১৮ ৰান কৰে।

০০০০

সমাপ্ত